# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-06-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ক্ৰ’ৱেছিয়া, কানাডা তথা চাইপ্ৰাছ ভ্ৰমণ সামৰি নতুন দিল্লীলৈ উভতি আহিছে।

২। ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ সংকল্প পূৰণৰ ক্ষেত্ৰত যুৱ প্ৰজন্মই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব বুলি কেন্দ্ৰীয় শিক্ষা ধৰ্মেন্দ্ৰ প্ৰধানে উল্লেখ কৰিছে।

৩। বিগত ৫ বছৰত ভাৰত গোলকীয় পৰ্য্যায়ত শক্তি উৎপাদনৰ সামৰ্থ্যৰ দিশৰ পৰা চীন আৰু আমেৰিকাৰ পাছত তৃতীয় সৰ্ববৃহৎ ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছে।

৪। ইজৰাইল আৰু ইৰাণৰ মাজৰ যুদ্ধ আজি সপ্তম দিনাও অব্যাহত আছে।

***আৰু***

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ ৫ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ লীডছত অনুষ্ঠিত হ’ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ক্ৰ’ৱেছিয়া, কানাডা তথা চাইপ্ৰাছ ভ্ৰমণ সামৰি নতুন দিল্লীলৈ উভতি আহিছে।

ক্ৰ’ৱেছিয়া ভ্ৰমণ কালত শ্ৰীমোদীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী আন্দ্ৰে প্লেংকোভিকৰ সৈতে দুয়ো দেশৰ সম্পৰ্ক শক্তিশালী কৰাৰ বাবে আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক বাণিজ্য শক্তিশালী কৰাৰ লগতে স্থিতিস্থাপক আৰু নিৰ্ভৰযোগ্য যোগান শৃংখলা গঢ়ি তোলাৰ বাবে সন্মতি প্ৰকাশ কৰে। তদুপৰি ফাৰ্মাচিউটিকেলছ, কৃষি, তথ্য প্ৰযুক্তি, স্বচ্ছ আৰু ডিজিটেল প্ৰযুক্তি, নৱীকৰণযোগ্য শক্তি আৰু ছেমিকণ্ডাক্টৰকে ধৰি দ্বিপাক্ষিক সহযোগিতাৰ কেতবোৰ নতুন ক্ষেত্ৰক চিনাক্ত কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে জাহাজ নিৰ্মাণ, চাইবাৰ সুৰক্ষা আৰু প্ৰতিৰক্ষা ক্ষেত্ৰত সহযোগিতাত বিষয় উত্থাপন কৰে। এই বৈঠকত প্ৰধানমন্ত্ৰীয়ে বিভিন্ন ৰাষ্ট্ৰৰ মাজত হোৱা সংঘাতৰ শান্তিপূৰ্ণ সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰি যুদ্ধক্ষেত্ৰত কোনো সমস্যাৰ সমাধান নহয় বুলি উল্লেখ কৰে। তেওঁ কয়, যে আলোচনা আৰু কূটনৈতিক বুজাপৰাই সমাধানৰ একমাত্ৰ পথ। সন্ত্ৰাসবাদক মানৱতাৰ শত্ৰু বুলি অভিহিত কৰি শ্ৰীমোদীয়ে জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ

সময়ত দেশখনৰ নেতৃত্বই ভাৰতৰ প্ৰতি আগবঢ়োৱা সমৰ্থনত সন্তোষ প্ৰকাশ কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদীৰ এয়া আছিল প্ৰথম চৰকাৰী ক্ৰ'ৱেছিয়া ভ্ৰমণ।

০০০০০

০০০০০

ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ বাসগৃহত নগদ ধন উদ্ধাৰৰ অভিযোগৰ তদন্তৰ বাবে গঠন কৰা তিনিজনীয়া কমিটিখনে দিল্লী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশগৰাকীক আঁতৰোৱাৰ ব্যৱস্থা আৰম্ভ কৰাৰ বাবে পৰ্য্যাপ্ত প্ৰমাণ আছে। পাঞ্জাব আৰু হাৰিয়াণা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শীল নাগু, হিমাচল প্ৰদেশ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ জি এছ ছন্ধাৱালিয়া আৰু কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ অনু শিৱৰামনক লৈ গঠিত কমিটিখনে ন্যায়াধীশগৰাকীয়ে তেওঁক জগৰীয়া কৰাৰ বাবে অভিসন্ধি ৰচনা কৰা হৈছে বুলি কৰা দাবী খাৰিজ কৰে। প্ৰাপ্ত বাতৰি মতে, ন্যায়াধীশ বাৰ্মাৰ নতুন দিল্লীস্থিত বাসগৃহত  ভঁৰালগৃহৰ পৰা নগদ ধন উদ্ধাৰ কৰা হৈছে আৰু দুগৰাকী ঘৰুৱা সহায়কে ভঁৰাল গৃহৰ পৰা পোৰা নোট আঁতৰাইছিল। কমিটিখনে ভঁৰাল গৃহৰ পৰা নগদ ধন উদ্ধাৰ হোৱা ঘটনা সন্দৰ্ভত সিদ্ধান্তত উপনীত হোৱাৰ পাছত ন্যায়াধীশ বাৰ্মাই ইয়াৰ হিচাপ দিব নোৱাৰা বুলি প্ৰকাশ কৰিছে।

০০০০০

ইজৰাইল আৰু ইৰাণৰ মাজৰ যুদ্ধ আজি সপ্তম দিনাও অব্যাহত আছে। ইৰাণে নিক্ষেপ কৰা ক্ষেপণাস্ত্ৰই ইজৰাইলৰ মধ্য আৰু দক্ষিণ প্ৰান্তৰ ভালেমান ঠাইত গুৰুতৰ ক্ষতি সাধন কৰিছে। ইয়াৰ বিপৰীতে ইজৰাইলী বাহিনীয়ে ইৰাণৰ অৰাক গধুৰ জল পাৰমাণৱিক ৰিয়েক্টৰক লক্ষ্য কৰি আক্ৰমণ চলাইছে। দক্ষিণ ইজৰাইলৰ এখন চিকিৎসালয় আৰু তেল আভিভৰ সমীপৰ দুখন চহৰত ইৰাণে ক্ষেপণাস্ত্ৰৰে আঘাত হানিছে। চৰোকা চিকিৎসালয়ৰ সঞ্চালকপ্ৰধান শ্লোমি কোডেছে আক্ৰমণত চিকিৎসালয় ভৱনৰ ব্যাপক ক্ষতি হোৱা বুলি প্ৰকাশ কৰিছে। ইপিনে, ইৰাণে দক্ষিণ ইজৰাইলৰ চিকিৎসালয়ক নহয়, বৰং তাৰ সমীপৰ সামৰিক আৰু গুপ্তচৰ ঘাটিক লক্ষ্য কৰি আক্ৰমণ চলোৱা বুলি দাবী কৰিছে। প্ৰাপ্ত বাতৰি অনুসৰি, ইৰাণৰ গোলাবৰ্ষণত তেল আভিভৰ ষ্টক এক্সেঞ্জৰ ভৱনৰ ক্ষতি হৈছে। এই আক্ৰমণত ১৩৭ জনৰো অধিক লোক আহত হৈছে।

ইফালে, ইজৰাইলৰ সামৰিক বাহিনীয়ে যোৱা গোটেই নিশা আকাশী পথেৰে অৰাকৰ গধুৰ জল পৰমাণু ৰিয়েক্টৰক লক্ষ্য কৰি আক্ৰমণ চলায়। নটাঞ্জৰ সমীপৰ এটা স্থানক লক্ষ্য কৰিও আক্ৰমণ চলোৱা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিশ্ব শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰখনত ভাৰতৰ ক্ৰমবৰ্ধমান উন্নতিৰ প্ৰমাণ হিচাপে QS World University Ranking 2026ক আদৰণি জনায়। কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা পোষ্টৰ উত্তৰত প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে QS World University 2026 Ranking য়ে আমাৰ শিক্ষা খণ্ডৰ বাবে এটা ভাল খবৰ কঢ়িয়াই

আনিছে। শ্ৰীমোদীয়ে পুনৰ দৃঢ়তাৰে কয় যে ভাৰতৰ যুৱক-যুৱতীসকলৰ সুবিধাৰ্থে গৱেষণা আৰু উদ্ভাৱনৰ পৰিৱেশক আগুৱাই নিয়াৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০

২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ সংকল্প পূৰণৰ ক্ষেত্ৰত যুৱ প্ৰজন্মই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব বুলি কেন্দ্ৰীয় শিক্ষা ধৰ্মেন্দ্ৰ প্ৰধানে উল্লেখ কৰিছে। আজমেৰৰ সমীপত আজি ৰাজস্থান কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ নৱম সমাৱৰ্তন অনুষ্ঠিত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে অনাগত দুটা দশকত ভাৰতবৰ্ষক এখন শক্তিশালী ৰাষ্ট্ৰৰূপে গঢ়ি তোলাটো দেশৰ নাগৰিকসকলৰ সমূহীয়া সংকল্প আৰু এই সংকল্প পূৰণ কৰা হ'ব। যুৱ প্ৰজন্মৰ কঠোৰ পৰিশ্ৰম, দৃঢ়তা আৰু নিষ্ঠাই এই সংকল্প পূৰণত সহায় কৰিব বুলি শ্ৰীপ্ৰধানে মন্তব্য কৰে। শিক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে বিশ্বৰ পৰিস্থিতিৰ পৰিৱৰ্তন হৈ আছে আৰু শক্তিশালী শক্তি হিচাপে ভাৰতৰ উত্থান ঘটিছে। তেওঁ লগতে চাকৰিৰ পাছত দৌৰাৰ পৰিৱৰ্তে নিজকে উদ্যমী হিচাপে প্ৰতিষ্ঠা কৰিবলৈ আৰু আনকো কৰ্ম-সংস্থাপনৰ সুযোগ প্ৰদান কৰিবলৈ উচ্চ শিক্ষা প্ৰতিষ্ঠানত অধ্যয়নৰত যুৱক-যুৱতীসকলৰ প্ৰতি আহ্বান জনায়। তেওঁ কয়, যে দৃষ্টিভংগীৰ এই পৰিৱৰ্তনে ভাৰতক বিশ্বৰ সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে প্ৰতিষ্ঠা কৰিব। দেশত শৈক্ষিক প্ৰতিষ্ঠানৰ মান নিৰন্তৰ উন্নত হোৱা বুলি উল্লেখ কৰি শ্ৰীপ্ৰধানে কয়, যে ২০১৪ চনত বিশ্বৰ শীৰ্ষৰ ৫০০ খন শৈক্ষিক প্ৰতিষ্ঠানৰ ভিতৰত মাত্ৰ ১১ খন ভাৰতীয় প্ৰতিষ্ঠান আছিল। শেহতীয়া প্ৰতিবেদনত এনে প্ৰতিষ্ঠানৰ সংখ্যা ৫৪লৈ বৃদ্ধি পোৱা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে নতুন শিক্ষানীতিৰ অধীনত বিদেশী বিশ্ববিদ্যালয়সমূহকো দেশত চৌহদ মুকলি কৰাৰ অনুমতি প্ৰদান কৰা হৈছে আৰু বৰ্তমানলৈকে ৮ খন এনে বিশ্ববিদ্যালয়ে ভাৰতত চৌহদ মুকলি কৰিছে।

০০০০০

বিগত ৫ বছৰত ভাৰত গোলকীয় পৰ্য্যায়ত শক্তি উৎপাদনৰ সামৰ্থ্যৰ দিশৰ পৰা চীন আৰু আমেৰিকাৰ পাছত তৃতীয় সৰ্ববৃহৎ ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছে। আন্ত-ৰাষ্ট্ৰীয় শক্তি সংস্থা আই ই এৰ শেহতীয়া প্ৰতিবেদন অনুসৰি, ব্যৱসায়িক আৰু আৱাসিক স্থানৰ সম্প্ৰসাৰণ, শীত-তাপ নিয়ন্ত্ৰণ আৰু অন্য ঘৰুৱা বৈদ্যুতিক আহিলাৰ বৰ্ধিত ব্যৱহাৰ তথা উদ্যোগৰ বৰ্ধিত চাহিদাই এই বিকাশত অৰিহণা যোগাইছে। দেশত নৱীকৰণযোগ্য শক্তিৰ বৰ্ধিত আকৰ্ষণকেই শক্তি উৎপাদনৰ সামৰ্থ্য বৃদ্ধিৰ মূল কাৰক বুলি প্ৰতিবেদনখনত উল্লেখ কৰা হৈছে। প্ৰতিবেদনখনত নিকা শক্তি বিশেষকৈ সৌৰ ফটোভলেটিক প্ৰকল্পৰ বিনিয়োগ উল্লেখনীয়ভাৱে বৃদ্ধি পোৱা বুলি কোৱা হৈছে।

০০০০০

চৰকাৰে জনজাতীয় সম্প্ৰদায়সমূহৰ বাবে গুৰুতৰ স্বাস্থ্য সমস্যাৰূপে বিবেচিত চিক্‌ল চেল ৰক্তাল্পতা দূৰ কৰাৰ বাবে কাম কৰি আছে বুলি কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে প্ৰকাশ কৰিছে। আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত মন্ত্ৰীগৰাকীয়ে কয়, যে জনজাতীয় সম্প্ৰদায়সমূহৰ মাজত চিকেল চেল ৰক্তাল্পতাৰ বিষয়ে সজাগতা সৃষ্টি কৰা হৈছে। **বিকশিত ভাৰতৰ অমৃত কালঃ সেৱা, সুশাসন, গৰীৱ কল্যাণৰ ১১ বছৰ** শীৰ্ষক বিশেষ শৃংখলাৰ অংশ হিচপে আজি নিশা চাৰে ৯ বজাত আকাশবাণীৰ এফ এম গোল্ড চেনেল আৰু

আকাশবাণীৰ সমগ্ৰ নেটৱৰ্কযোগে এই সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ ইউ টিউব চেনেল  নিউজ অন এ আই আৰ অফিচিয়েলতো এই সাক্ষাৎকাৰ শুনিব পৰা যাব।

০০০০০

ছিকিমত কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া কৈলাশ মানসৰোবৰ যাত্ৰা সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে  সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে।   কাইলৈ পুৱা নাথুলা পাচত ৰাজ্যপাল ওম প্ৰকাশ মাথুৰে এই যাত্ৰাৰ শুভাৰম্ভ কৰিব । বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ দুজন বিষয়াৰ সৈতে ৩৬ জন তীৰ্থযাত্ৰীৰে গঠিত প্ৰথমটো দলে কাইলৈ  যাত্ৰা আৰম্ভ কৰিব। আমাৰ সংবাদদাতাই  জনোৱা অনুসৰি প্ৰতিটো যাত্ৰা সম্পূৰ্ণ কৰিবলৈ ১০ৰ পৰা ১১ দিন সময় লাগিব । ছিকিমৰ নাথুলাৰ পৰা এইবাৰ মুঠতে ১০টা দলে পৃথকে পৃথকে কৈলাশ মানসৰোবৰ অভিমুখে যাত্ৰা কৰিব । পাঁচ বছৰৰ বিৰতিৰ অন্তত এই যাত্ৰা  পুনৰ আৰম্ভ কৰা হৈছে । ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন সংস্থাই একত্ৰিত হৈ সকলো তীৰ্থযাত্ৰীৰ কোনো অসুবিধা নোহোৱাকৈ সুচাৰুৰূপে এই যাত্ৰা হ'ব বুলি নিশ্চিতি প্ৰদান  কৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে,  পথচোৱাত যাত্ৰী আৱদ্ধ হৈ পৰিলে তাৎক্ষণিকভাৱে উদ্ধাৰ কৰাৰ বাবে আজি বিশেষ হেলিকপ্টাৰ সাজু কৰা হৈছে। ইয়াৰ পূৰ্বে শুকুৰবাৰে আৱদ্ধ হৈ থকা সকলো পৰ্যটকক চাটেনৰ পৰা বিমানেৰে উদ্ধাৰ কৰা হৈছিল।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ ৫ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কাইলৈ লীডছৰ হেডিংলি ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব। বিৰাট কোহলী আৰু ৰোহিত শৰ্মাই টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণৰ পাছৰ এই ইংলেণ্ড ভ্ৰমণেৰে শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলে নতুন অধ্যায়ৰ পাতনি মেলিব। প্ৰথমখন খেল আৰম্ভ হোৱাৰ পূৰ্বে উপ-অধিনায়ক ঋষভ পণ্টে কয়, যে অধিনায়ক গীলৰ সৈতে খেল পথাৰৰ বাহিৰৰ মিত্ৰতাই এই শৃংখলাত সহায় কৰিব।

বিৰাট কোহলী আৰু ৰোহিত শৰ্মাৰ অৱসৰৰ বিষয়ে উল্লেখ কৰি পণ্টে কয়, যে খেলুৱৈ দুগৰাকীৰ অনুপস্থিতিয়ে ব্যৱধানৰ সৃষ্টি কৰিব যদিও এয়া নতুন সংস্কৃতি গঢ়াৰ সুযোগৰূপে পৰিগণিত হ'ব।

০০০০০

সমাপ্ত